# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-03-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১।	নিৰ্বাচন আয়োগে আজি বিয়লি লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব।

২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, আধ্যাত্মিকতা আধাৰিত আমাৰ সংস্কৃতিয়ে বিশ্ব ভাতৃত্ববোধৰ ভাৱনাক সদায় কেন্দ্ৰত স্থান দি আহিছে।

৩।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰতীয় ৰাজনীতিত ক'লা ধনৰ প্ৰভাৱ দূৰ কৰাৰ বাবে নিৰ্বাচনী বণ্ড প্ৰৱৰ্তন কৰা হৈছিল।

৪।	ভাৰতৰ লক্ষ্য সেনে অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫।	ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

নিৰ্বাচন আয়োগে আজি বিয়লি লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে কেইখনমান ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচীও প্ৰকাশ কৰিব। ১৬ জুনত বৰ্তমান লোকসভাৰ কাৰ্যকালৰ অন্ত পৰিব। ২০১৯ চনত এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত মুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। এইবাৰো এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত কেইবাটাও পৰ্যায়ত লোকসভা নিৰ্বাচন সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

যোৱাবাৰৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে দেশৰ ৫৪৩ খন সংসদীয় আসনৰ ভিতৰত ৩০৩ খন আসন হস্তগত কৰি বিপুল বিজয় সাব্যস্ত কৰিছিল। এইবেলি বিজেপিয়ে ৩৭০ খন আসনত জয়লাভ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। বৰ্তমানলৈকে দলটোৱে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ২৬৭ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আনহাতে, প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে ৮২ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বাওঁ দল, তৃণমূল কংগ্ৰেছ, আম আদমি পাৰ্টী আৰু আন কিছুমান দলেও কেইবাখনো লোকসভা আসনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, আধ্যাত্মিকতা আধাৰিত আমাৰ সংস্কৃতিয়ে বিশ্ব ভাতৃত্ববোধৰ ভাৱনাক সদায় কেন্দ্ৰত স্থান দি আহিছে। হায়দৰাবাদৰ কানহা শান্তি ৱনমত অনুষ্ঠিত ৪ দিনীয়া গোলকীয় আধ্যাত্মিকতা মহোৎসৱত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে মাত্ৰ এটা দৰ্শনেই শুদ্ধ আৰু বাকীসমূহ ভুল বুলি প্ৰমাণ কৰাৰ প্ৰয়াস নকৰে। ভাৰতে সত্য অন্বেষণৰ সকলো মাধ্যমকে সৰ্বত্ৰ সমদৰ্শন ৰূপে সন্মান কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, সমভাৱৰ এই ভাৱনাই আমাৰ আধ্যাত্মিক পৰম্পৰাৰ মূল ভেঁটি। তেওঁ কয় যে, নৈতিকতা আৰু আধ্যাত্মিকতা আধাৰিত জীৱন ব্যক্তিগত আৰু সামাজিক উভয় পৰ্যায়ৰ বাবে লাভদায়ক। তেওঁ লগতে কয় যে, আমাৰ পৰম্পৰাত আধ্যাত্মিকতা আৰু নৈতিকতাক দৈনন্দিন জীৱনৰ আধাৰ বুলি গণ্য কৰা হয়।

ভগৱান মহাবীৰ, ভগৱান বুদ্ধ, জগদগুৰু শংকৰাচাৰ্য, সন্ত কবিৰ, ৰবিদাস আৰু গুৰুনানকৰ পৰা স্বামী বিবেকানন্দ ভাৰতীয় আধ্যাত্মিক গুৰুসকলে সদায় বিশ্ব সম্প্ৰদায়ৰ আধ্যাত্মিক পুনৰ উত্থানত অৰিহণা যোগাই আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

শ্ৰীমতী মুৰ্মুৱে কয় যে, ৰাজনীতিত আধ্যাত্মিক প্ৰমূল্যৰাজিৰ অন্তৰ্ভুক্তিৰ বাবেই জাতিৰ পিতা মহাত্মা গান্ধীক সবৰমতীৰ সন্ত বুলি কোৱা হৈছিল।

অনুষ্ঠানত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা তথা সাংস্কৃতিক ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, আধ্যাত্মিক গুৰু দাজী, ত্ৰিদণ্ডী চিনজিয়াৰ স্বামী, পতঞ্জলিৰ বালকৃষ্ণ মহাৰাজ আৰু আন কেইবাগৰাকীও আধ্যাত্মিক গুৰুই  অংশগ্ৰহণ কৰে।

ooooo

জ্যেষ্ঠ বি জে পি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নাগৰকুৰনুলত উপস্থিত হ'ব। তেলেংগানা ভ্ৰমণৰ দ্বিতীয় দিনা আজি পুৱা শ্ৰীমোদীয়ে নাগৰকুৰনুল লোকসভা সমষ্টিৰ এখন ৰাজহুৱা সভাত বক্তব্য প্ৰদান কৰিব। যোৱা নিশা তেওঁ হায়দৰাবাদত ৰাজভৱনত কটায়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে বি জে পিৰ মালকজগিৰি সমষ্টিৰ প্ৰাৰ্থী ই ৰাজেন্দ্ৰৰ সৈতে কালি মালকজগিৰি সমষ্টিত বিজয় সংকল্প মেগা ৰোডশ্ব' অনুষ্ঠিত কৰে। মালকজগিৰি সৌৰাষ্ট্ৰলৈ ৫ কিলোমিটাৰ পথ এই ৰোডশ্ব'ত সামৰি লোৱা হৈছিল। তেলেংগানাত বি জে পি দলৰ ভেঁটি শক্তিশালী কৰাৰ অৰ্থে প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ অহা সোমবাৰে জাগটিয়ালত আন এখন ৰেলীত জনসাধাৰণক সম্বোধন কৰিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এদিনীয়া ঝাৰখণ্ড ভ্ৰমণকালত কালি তেওঁৰ সভাপতিত্বত ৰাঁচীত ৰাঁচী, খুন্তী আৰু লোহাৰদগা সমষ্টিৰ ৰাজ্যিক পৰ্যায়ৰ জ্যেষ্ঠ বিজেপিৰ নেতা আৰু কৰ্মীসকলৰ ক'ৰ কমিটি আৰু ক্লাষ্টাৰ বৈঠকত ভাগ লয়। তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক **এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন** সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ ৰাজ্যৰ বিকাশৰ লগতে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ চিন্তা চৰ্চা কৰিবলৈ দলীয় কৰ্মীসকলৰ প্ৰতি আহ্বান জনায়।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীসকলক সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৰাইজৰ কাষ চাপিবলৈও উৎসাহিত কৰে। শ্ৰীসিঙে ৰাজ্যখনৰ চটৰা জিলাৰ বিখ্যাত মা ভদ্ৰকালি ইটখোৰী মন্দিৰ দৰ্শন কৰি প্ৰাৰ্থনা জনায়।

তেওঁ কয় যে, ৰাজ্য চৰকাৰৰ উদ্যোগত ঝাৰখণ্ডত দুৰ্নীতিয়ে শীৰ্ষস্থান লাভ কৰিছে। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত ৰাজ্যখনত উন্নয়নৰ নতুন আঁচনি আৰু প্ৰকল্পসমূহ নিৰন্তৰভাৱে উদ্বোধন কৰি অহা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰতীয় ৰাজনীতিত ক'লা ধনৰ প্ৰভাৱ দূৰ কৰাৰ বাবে নিৰ্বাচনী বণ্ড প্ৰৱৰ্তন কৰা হৈছিল। নিৰ্বাচনী বণ্ড সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি সন্মান জনায় বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, নিৰ্বাচনী বণ্ড সম্পূৰ্ণ ৰূপে প্ৰত্যাহাৰ কৰাৰ পৰিৱৰ্তে ইয়াৰ সংশোধন হোৱা উচিত বুলি তেওঁ ভাৱে। নতুন দিল্লীত কালি সংবাদ গোষ্ঠীয়ে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

কংগ্ৰেছৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে এই বুলি অভিযোগ কৰে যে, বিৰোধী দলৰ নেতাসকলে নগদ ধনৰ ৰূপত ৰাজনৈতিক বৰঙণি গ্ৰহণ কৰিছিল, কিয়নো তেওঁলোকে বৰঙণি এটা ক্ষুদ্ৰ অংশ দলৰ নামত জমা কৰি বাকীখিনি নিজেই হস্তগত কৰিছিল। মুঠ ২০ হাজাৰ কোটি টকাৰ নিৰ্বাচনী বণ্ডৰ ভিতৰত বিজেপিয়ে প্ৰায় ৬ হাজাৰ কোটি টকা লাভ কৰিছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে বাকী ১৪ হাজাৰ কোটি টকাৰ বণ্ড কলৈ গ'ল বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে, তৃণমূল কংগ্ৰেছ দলে এহেজাৰ ৬০০ কোটি, কংগ্ৰেছে এহেজাৰ ৪০০ কোটি, বি আৰ এছে এহেজাৰ ২০০ কোটি, বিজেডিয়ে ৭৫০ কোটি আৰু ডি এম কে ৬৩৯ কোটি টকা লাভ কৰিছে।

শ্ৰীশ্বাহে কয় যে, বিজেপিয়ে ৩০৩ গৰাকীকৈ সাংসদ থকাৰ পাছতো ৬ হেজাৰ কোটি টকাহে লাভ কৰিছে আৰু বাকী দলবোৰে ২৪২ গৰাকী সাংসদ থকাৰ পাছতো ১৪ হাজাৰ কোটি টকা লাভ কৰিছে। হিচাপ-নিকাচ হোৱাৰ পিছত বিৰোধী পক্ষই জনসাধাৰণ আৰু সংবাদ মাধ্যমৰ সন্মুখীন হ'ব নোৱাৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন সন্দৰ্ভত শ্ৰীশ্বাহে কয় যে, দেশত বাৰে বাৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয় আৰু ব্যয়ো বাৰে বাৰে হয়। তেওঁ কয় যে, বাৰে বাৰে হোৱা নিৰ্বাচনৰ আচৰণ বিধিৰ বাবে উন্নয়নমূলক কাম-কাজ ব্যাহত হয়। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন ব্যৱস্থাই ইয়াৰ সমাধান বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশ্বাহে আসন্ন লোকসভা নিৰ্বাচনত বিজেপিয়ে অকলে ৩৭০ খন আৰু এন ডি এ ৪০০ খনৰো অধিক আসন লাভ কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে কৰা বিবৃতি পুনৰ প্ৰকাশ কৰে।

০০০০০

বি আৰ এছৰ বিধায়িকা আৰু প্ৰাক্তন সাংসদ তথা বি আৰ এছৰ প্ৰধান কে চন্দ্ৰশেখৰ ৰাওৰ জীয়ৰি কে. কবিতাক বিধি বলৱৎকাৰী সংস্থাই তেওঁৰ হায়দৰাবাদৰ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰে। সংস্থাটোৰ বিষয়াই তেওঁক কালি সন্ধিয়া দিল্লীলৈ স্থানান্তৰ কৰে। ইফালে নেত্ৰীগৰাকীৰ অধিবক্তাই তেওঁৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হ'ব বুলি জানিবলৈ দিছে।

বি আৰ এছয়ে কয় যে, দলটোৰ নেত্ৰী কে. কবিতাক গ্ৰেপ্তাৰৰ ক্ষেত্ৰত গভীৰ ষড়যন্ত্ৰ লুকাই আছে আৰু ইয়াৰ বিৰুদ্ধে সকলো জিলাতে দলটোৱে প্ৰতিবাদ কাৰ্যসূচী গ্ৰহণ কৰিছে। আনহাতে বিধি বলৱৎকাৰী সংস্থাটোৱে কৰ্তব্যত বাধা প্ৰদান কৰাৰ অভিযোগত প্ৰাক্তন মন্ত্ৰী কে. তাৰাক্কা ৰামাৰাওৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

ooooo

ভাৰতৰ লক্ষ্য সেনে অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বিশ্বৰ ১৮ নম্বৰ স্থানৰ লক্ষ্য সেনে যোৱানিশা বাৰ্মিংহামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ১০ নম্বৰ স্থানৰ মালয়েছিয়াৰ লি জি জিয়াক ২০-২২, ২১-১৬, ২১-১৯ গেমত পৰাস্ত কৰে। প্ৰথম গেমত ২০-২২ ফলাফলত পৰাজিত হোৱাৰ পাছত লক্ষ্য সেনে ২১-১৬ আৰু ২১-১৯ ফলাফলেৰে দ্বিতীয় আৰু তৃতীয় গেম হস্তগত কৰে।

লক্ষ্য সেন আজি ছেমি ফাইনেলত বিশ্বৰ ৯ নম্বৰ স্থানৰ ইন্দোনেছিয়াৰ জনাটন কিস্তিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

ooooo

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে যোৱানিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনত মুম্বাই ইণ্ডিয়ানছে ১৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰান কৰে। বাংগালোৰৰ হৈ এলিছে পেৰীয়ে সৰ্বাধিক ৫০টা বলত ৬৬ ৰান সংগ্ৰহ কৰে। পেৰীক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে কাইলৈ হ'বলগীয়া ফাইনেলত দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**